# এইচডিএফচি এৰ্গো জেনেৰেল ইঞ্চিওৰেন্স কোম্পানী লিমিটেড

HDFC ERGO

## প্ৰধান মন্ত্ৰী ফচল বীমা যোজনা (পিএমএফবিৱাই)

**সুৰক্ষিত কৃষক, ৰাষ্ট্ৰৰ গৌৰৱ**



(অসম) চৰকাৰ আৰু ভাৰত চৰকাৰৰ দ্বাৰা প্ৰণয়ন কৰা হৈছে

প্ৰধান মন্ত্ৰী ফচল বীমা যোজনা (পিএমএফবিৱাই) ৰ লক্ষ্য হৈছে প্ৰাকৃতিক দুৰ্যোগ, কীটৰ আক্ৰমণ বা অপ্ৰত্যাশিত ঘটনাৰ ফলস্বৰূপে ফচলৰ লোকচান / বিফলতাৰ ক্ষেত্ৰত কৃষকক বীমা সুৰক্ষা আৰু বিত্তীয় সহায়তা প্ৰদান কৰে।

এই ধৰণে, এই যোজনাই কৃষকক আৰ্থিক স্থিৰতা প্ৰদান কৰি আছে তথা তেওঁলোকৰ খেতি বাহাল ৰখা আৰু খেতিৰ নতুন উদ্ভাৱন তথা আধুনিক পদ্ধতি গ্ৰহণ কৰাৰ বাবে তেওঁলোকক উৎসাহিত কৰিছে।

### এই যোজনাৰ দ্বাৰা কোন উপকৃত হ'ব পাৰে?

আধিয়াৰ আৰু ৰায়ত খেতিয়কক অন্তৰ্ভুক্ত কৰি সকলো কৃষক, যি অধিসূচিত এলেকাত অধিসূচিত ফচলসমূহৰ খেতি কৰিছে সেই সকল এই কভাৰেজৰ যোগ্য। যি কি নহওঁক, অধিসূচিত / বীমাকৃত ফচলসমূহৰ বাবে কৃষকৰ বীমাৰ প্ৰতি আগ্ৰহ থকা উচিত। এই যোজনা ঋণলওঁতা কৃষক সহ সকলো কৃষকৰ বাবে ঐচ্ছিক হিচাপে প্ৰস্তুত কৰা হৈছে। সেই সকল কৃষক যি অধিসূচিত ফচলৰ বাবে যি কোনো বিত্তীয় সংস্থা (সমবায় বেংক, আঞ্চলিক গ্ৰামীণ বেংক, বাণিজ্যিক বেংক, ব্যক্তিগত বেংক আদি)-ৰ পৰা ঋতুগত কৃষিভিত্তিক পৰিচালন ঋণ লৈছে অৰ্থাৎ ঋণী হয় আৰু যি অন্তিম তাৰিখৰ 7 দিনৰ আগতে যোজনাৰ পৰা বাহিৰ হোৱা নাই, তেওঁলোকে তেওঁলোকৰ বিত্তীয় সংস্থাৰ স্কীমৰ অধীনত নামভৰ্তিকৰণৰ বাবে যোগ্য হ'ব।



### কি সংৰক্ষিত?

ফচল লোকচানৰ পাছত ফচলৰ নিম্নলিখিত ক্ষতিশংকা পৰ্যায়সমূহ যোজনাৰ অধীনত কভাৰ কৰা হৈছে।

- সিঁচাৰ / ৰোৱাৰ / অংকুৰণৰ ক্ষতিশংকা ৰোধ কৰা: সুৰক্ষা তাত দিয়া হয় যেনে বীমাকৃত অঞ্চলত সিঁচাৰ / ৰোৱাৰ / অংকুৰণৰ ক্ষতিশংকা ৰোধ কৰা হয় অনাবৃষ্টি বা প্ৰতিকূল অৱস্থাৰ কাৰণে।
- ব্যাপক ক্ষতিশংকা বীমা সুৰক্ষা: ব্যাপক ক্ষতিশংকা বীমা সুৰক্ষা হৈ থকা ফচল (সিঁচাৰ পৰা কটালৈকে)-ৰ বাবে ৰোধ নকৰাৰ যোগ্য ক্ষতিশংকা সমূহৰ কাৰণে উৎপাদনৰ লোকচান কভাৰ কৰাৰ বাবে প্ৰদান কৰা হয়। ফচল কটাৰ অভিজ্ঞতা ৰাজ্য চৰকাৰৰ জৰিয়তে প্ৰকৃত উৎপাদনৰ অনুমান পাব পৰা যায়।
- কটাৰ পিছৰ লোকচানবোৰ: কভাৰেজ কটাৰ 14 দিনৰ সৰ্বাধিক ম্যাদলৈকে কেৱল সেই ফচলসমূহৰ বাবে উপলব্ধ যিবোৰ শিলাবৃষ্টি, ঘূৰ্ণিবতাহ, ধুমুহা বৰষুণ আৰু আবতৰীয়া বৰষুণৰ বাবে কটাৰ পাছত খেতি পথাৰত শুকাবৰ বাবে ‘‘কাটি আৰু মেলি / সৰু মুঠা’’ কৰি ৰখা হয়। প্ৰভাৱিত কৃষকে প্ৰত্যক্ষভাৱে বীমা কোম্পানীৰ ট'ল ফ্ৰি নম্বৰত বা সংশ্লিষ্ট বেংক, স্থানীয় কৃষি বিভাগ / চৰকাৰী বিষয়াৰ জৰিয়তে প্ৰভাৱিত হোৱাৰ 72 ঘন্টাৰ ভিতৰত দাবীৰ জাননী দিব পৰা যায়।
- স্থানীয় দুৰ্যোগ: অধিসূচিত এলেকাত পৃথক কৃষকক প্ৰভাৱিত কৰাৰ কাৰণ শিলাবৃষ্টি, ভূমিস্খলন, জলমগ, বিজুলী-ঢেৰেকনি আৰু প্ৰাকৃতিক জুইৰ স্থানীয় ক্ষতিশংকাৰ ঘটনাৰ পৰা উৎপন্ন বীমাকৃত ফচলসমূহৰ লোকচান / ক্ষতি। প্ৰভাৱিত কৃষকে প্ৰত্যক্ষভাৱে বীমা কোম্পানীৰ ট'ল ফ্ৰি



নম্বৰত বা সংশ্লিষ্ট বেঙ্ক, স্থানীয় কৃষি বিভাগ / চৰকাৰী বিষয়াৰ জৰিয়তে প্ৰভাৱিত হোৱাৰ 72 ঘন্টাৰ ভিতৰত দাবীৰ জাননী দিব পাৰে।

## এই আচনিত কৃষকসকলৰ নাম অন্তৰ্ভুক্ত কৰাৰ কাৰনে প্ৰয়োজনীয় নথি-পত্ৰ সমূহ:

- এই আচনিত কৃষকসকল তালিকাত নাম অন্তৰ্ভুক্ত কৰিবৰ বাবে আধাৰ কাৰ্ড বাধ্যতামূলক।
- বেংক পাছবুকৰ ফটোকপি যত IFSC আৰু একাউণ্ট নম্বৰ লিখা থাকে বা একাউন্ট বাতিল কৰা চেক (Cancelled Cheque)
- নতুন ভূমি ৰেকৰ্ড অধিকাৰৰ ৰাজ্যৰ ৰেকৰ্ড (ROR), ভূমি অধিকাৰৰ প্ৰমাণ পত্ৰ (LPC), চুক্তি পত্ৰ, মাটি খাজানা ৰছিদ্ গাঁওবুঢ়াৰ দ্বাৰা জাৰি কৰা প্ৰমাণ পত্ৰ, ৰাজ্য চৰকাৰৰ দ্বাৰা অনুমোদিত পত্ৰ যিয়ে মাটিৰ ওপৰত স্পষ্ট অবিতৰ্কিত দখল দেখায়।
- স্পষ্ট দখল পৈতৃক ভূমিৰ অনুপলদ্ধাৰ ওপৰত উল্লেখিত মাটিৰ নথি পত্ৰৰ সৈতে এটি স্ব-ঘোষণা (Self declaration) পত্ৰ সংযুক্ত কৰিব লাগিব।
- ভাগি কৈ কৰা খেতিৰ ক্ষেত্ৰত মাটিৰ মালিকৰ 3) নং পইন্টত উল্লেখিত যিকোনো মাটিৰ দলিলৰ লগত এটা স্বা-ঘোষণা অনুলিপি (Self declaration) সংযুক্ত কৰিব লাগিব আৰু তাত মালিক পক্ষয় স্বাক্ষৰ কৰিব লাগিব।

## সংৰক্ষণ আৰু দাবীসমূহৰ বাবে পূৰ্ব চৰ্তসমূহ

- ব্যাপক দুৰ্যোগ (বতৰ আৰু উৎপাদনৰ ভিত্তিত): এলেকাৰ দৃষ্টিকোণৰ ভিত্তিত দাবীসমূহ নিষ্পত্তি কৰা হয়। ফচল কটা অভিজ্ঞতাৰ ভিত্তিত ৰাজ্য চৰকাৰৰ জৰিয়তে বীমা একক স্তৰত প্ৰকৃত উৎপাদনৰ অনুমান পোৱা যায় আৰু উৎপাদনত কম গেৰাণ্টিড (থ্ৰেশ্ব'ল্ড) উৎপাদন আৰু বিদ্যমান বতৰৰ প্ৰকৃত উৎপাদনৰ মাজত পাৰ্থক্যৰ দ্বাৰা নিৰ্দ্ধাৰিত কৰা হয়। সেই অনুসৰি দাবীসমূহ নিষ্পত্তি কৰা হ'ব।
- দাবীসমূহৰ সমূহৰ 'অন একাউণ্ট': ই সেইবোৰ ফচলৰ ওপৰত প্ৰযোজ্য হয়, য'ত বতৰৰ প্ৰতিকূল অৱস্থাৰ বাবে ঋতুগত সময়ত প্ৰভাৱিত ফচলৰ উৎপাদনৰ আশা সাধাৰণ উৎপাদনৰ 50% তকৈ কম হয়। এই চৰ্ত ৰাজ্য চৰকাৰৰ দ্বাৰা আদায় অধিসূচীত বীমা এককৰ ওপৰত কোনো বিশেষ ফচল বা ফচলসমূহৰ গোটৰ বাবে বিভিন্ন প্ৰতিনিধি সূচক যেনে বৰষুণৰ তথ্য, অন্য বতৰৰ তথ্য, উপগ্ৰহৰ পৰা পোৱা চিত্ৰ আদিৰ ভিত্তিত ক্ষতিৰ সূচনাৰ জৰিয়তে প্ৰযোজ্য কৰিব পৰা যায়। যদি প্ৰতিকূলতা সাধাৰণ ফচলৰ সময়তকৈ 15 দিনৰ আগতে হয়, তেন্তে এই চৰ্ত প্ৰযোজ্য নহ'ব। চৰ্ত পিছত প্ৰযোজ্য হ'ব, অন্তিম দাবীসমূহৰ বিৰুদ্ধে মিলাই দিয়াৰ অধীন, দেয় ৰাশি সম্ভাব্য দাবীসমূহৰ 25% হ'ব।
- প্ৰতিৰোধ কৰা / সিঁচা বিফল হোৱা আৰু প্ৰতিৰোধ কৰা / অংকুৰণৰ দাবীসমূহ: 75% তকৈ অধিক এলেকাত ফচলসমূহ প্ৰভাৱিত কৰাৰ ব্যাপক ঘটনাৰ ক্ষেত্ৰত কৃষকসকলক বীমা সুৰক্ষা প্ৰদান কৰা হ'ব। এই চৰ্ত ৰাজ্য চৰকাৰৰ দ্বাৰা প্ৰণয়ন কৰা হয়। ৰাজ্য চৰকাৰৰ দ্বাৰা নামভৰ্তিকৰণৰ কাট-অফ তাৰিখৰ 15 দিনৰ ভিতৰত বৰষুণৰ তথ্য, অন্য বতৰ-সম্বন্ধীয় তথ্য, উপগ্ৰহৰ পৰা পোৱা চিত্ৰ আদি প্ৰতিনিধি সূচকৰ ভিত্তিত অধিসূচনাৰ জৰিয়তে অধিসূচি কৰাৰ আৱশ্যক হ'ব। চৰ্ত প্ৰযোজ্য হোৱাৰ পাছত, ভাট্টা পোৱাৰ 30 দিনৰ ভিতৰত দাবীসমূহ নিষ্পত্তি কৰা হ'ব।
- কটাৰ পাছত লোকচান আৰু স্থানীয় দুৰ্যোগ: উৎপাদন লোকচানৰ নিৰূপণ ব্যক্তিগত পটভূমিৰ আধাৰত কৰা হ'ব। বীমাকৃত কৃষকক দুৰ্যোগৰ 72 ঘন্টাৰ ভিতৰত জাননী দিয়া উচিত। জাননীত বীমাকৃত ফচল আৰু প্ৰভাৱিত একৰৰ সবিশেষ জৰীপ নম্বৰ অনুযায়ী হোৱা উচিত। প্ৰমাণৰ নথিপত্ৰ হিচাপে, 7 দিনৰ ভিতৰত বিধিবদ্ধ দাবী প্ৰ-পত্ৰ জমা দিয়া উচিত।

**প্ৰধান মন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত অধিসূচিত ফচলসমূহ, প্ৰিমিয়াম দৰসমূহ আৰু বীমা ৰাশিৰ সবিশেষ**

| ঋতু | জিলা | শস্যসমূহ | বীমা ৰাশি (টকা হেক্টৰ) | কৃষকৰ দিবলগীয়া প্ৰিমিয়াম হাৰ | কৃষকৰ প্ৰিমিয়াম শেয়াৰ | নাম অন্তৰ্ভুক্ত কৰাৰ অন্তিম তাৰিখ |
|---|---|---|---|---|---|---|
| **খাৰিফ 2023** | কাচাৰ | শালি ধান | 67920 | 2% | 31 জুলাই 2023 | 1 হেক্টৰ পৰ্যন্ত প্ৰিমিয়াম শেয়াৰ সৰ্বোচ্চ 100 টকা কৃষকে বহন কৰিব, বাকি প্ৰিমিয়াম ৰাজ্য চৰকাৰে বহন কৰিব। |
| | | মাকৈ | 57503 | 2% | 15 জুন 2023 | |
| | লখিমপুৰ | শালি ধান | 67920 | 2% | 31 জুলাই 2023 | |
| | | মাকৈ | 57503 | 2% | 15 জুন 2023 | |
| | | মাটিমাহ | 40754 | 1.60% | 10 ছেপ্তেম্বৰ 2023 | |
| | তিনিচুকীয়া | শালি ধান | 67920 | 2% | 31 জুলাই 2023 | |
| | | মাকৈ | 57503 | 2% | 15 জুন 2023 | |
| | ওডালগুৰি | শালি ধান | 67920 | 2% | 31 জুলাই 2023 | |
| | | মাকৈ | 57503 | 2% | 15 জুন 2023 | |
| | | মাটিমাহ | 40754 | 2% | 10 ছেপ্তেম্বৰ 2023 | |

**ইমেইল: assam.pmfby@hdfcergo.com**

**যোজনাৰ বিষয়ে অধিক জানিবৰ বাবে অনুগ্ৰহ কৰি ট'ল ফ্ৰি নম্বৰ 1800 2660700 ত ফোন কৰক।**



ঋণ নোলোৱা কৃষকে সমীপস্থ বিত্তীয় সংস্থাৰ জৰিয়তে তেওঁলোকৰ ফচলৰ বীমা কৰাব পাৰে। ৰাষ্ট্ৰীয়কৃত বেঙ্ক, সমবায় বেঙ্ক, প্ৰাথমিক কৃষি সমবায় সমিতি (PACS), আঞ্চলিক গ্ৰামীণ বেঙ্ক / বীমা মধ্যস্থকাৰী / কমন চাৰ্ভিচ চেন্টাৰ (চিএচচি) / স্বয়ং নামভৰ্তিকৰণ ৱেবচাইট লিঙ্ক: https://pmfby.gov.in / farmerlogin -ৰ জৰিয়তে

এইচডিএফচি এৰ্গো জেনেৰেল ইন্সিওৰেন্স কোম্পানী লিমিটেড। আইআৰডিএআই পঞ্জী নং 146 । CIN: U66030MH2007PLC177117। পঞ্জীভুক্ত আৰু কৰ্পোৰেট কাৰ্য্যালয় - 1ম মহলা, এইচডিএফচি হাউচ, 165-166 বেকবে' ৰিক্লেমেশ্যন, এইচ.টি. পাৰেখ মাৰ্গ, চাৰ্চগেট, মুম্বাই-400 020। বিক্ৰী সমাপ্তিৰ পূৰ্বে ক্ষতিশংকা কাৰক, নিয়ম আৰু চৰ্তসমূহৰ বিষয়ে বিশদভাৱে জানিবলৈ অনুগ্ৰহ কৰি বিক্ৰী হাতপুথি / প্ৰচপেক্টাচ পঢ়ি লওঁক। ওপৰত প্ৰদৰ্শিত ট্ৰে'ড ল'গো এইচডিএফচি লিমিটেড আৰু এৰ্গো ইন্টাৰনেশ্যনেল এজি-ৰ আৰু কোম্পানীৰ দ্বাৰা অনুজ্ঞাপত্ৰৰ অধীনত প্ৰয়োগ কৰা হয়। Pradhan Mantri Fasal Bima Yojan - IRDAN125P0003V01201617 | CSC - Pradhan Mantri Fasal Bima Yojan - HDE-AG-P18-25-V01-17-18. UID: 12618.